ULB

# Assamese Unlocked Literal Bible

## ফিলীমনৰ প্ৰতি পত্ৰ

### সংস্কৰণ 4

[as]

No warranties are given. The license may not give you all of the permissions necessary for your intended use. For example, other rights such as publicity, privacy, or moral rights may limit how you use the material.

# সুচিপত্ৰ

**ফিলী** **5**
‘ফিলীমনৰ প্ৰতি পত্ৰ’ৰ পাতনি 5
5
Chapter 1 5
**অবদানকাৰী** **7**
Assamese Unlocked Literal Bible অবদানকাৰী 7
Tischendorf Greek New Testament 8th edition অবদানকাৰী 7

# ফিলী

## ‘ফিলীমনৰ প্ৰতি পত্ৰ’ৰ পাতনি

‘ফিলীমনৰ প্ৰতি পত্ৰ’ অতি চুটি পুস্তক। এই পত্ৰ খন পাঁচনি পৌলৰ দ্বাৰাই লিখা হৈছিল (1:1)। সাধু পৌল বন্দী অৱস্থাত থকা সময়ত এই পত্ৰখন লিখিছিল। সম্ভৱতঃ তেওঁ ৰোমত থাকোতে এই পত্ৰখন লিখিছিল। প্ৰভু যীচু খ্ৰীষ্টৰ জন্মৰ প্ৰায় 61 বছৰৰ পিছত এই পত্ৰখন লিখিছিল। হয়তো সেই সময়ত তেওঁ ৰোমত আছিল। সেই সময়তে বোধহয় তেওঁ ‘কলচীয়া পত্ৰ’ খনো লিখিছিল।

এই পত্ৰখন তেওঁ ফিলীমন নামৰ এজন ব্যক্তিলৈ লিখিছিল। ফিলীমন এজন মণ্ডলীৰ সদস্য আৰু দাস (ক্ৰীতদাস)সকলৰ গৰাকী আছিল। সাধু পৌলে তেওঁলৈ লিখি জনাইছিল যে, ওনীচিমাচক যেন শাস্তি নিদিয়ে; এইজন দাস ফিলীমনৰ ওচৰৰ পৰা পলাই গৈছিল। ৰোমান বিধি অনুসৰি ওনীচিমাচক মৃত্যুদণ্ড দিবলৈ ফিলীমনৰ সম্পূৰ্ণ অধিকাৰ আছিল। কিন্তু ওনীচিমাচক এজন খ্ৰীষ্টীয়ান ভাইৰ দৰে গ্ৰহণ কৰিবলৈ সাধু পৌলে এক প্ৰভাৱশালী বিতৰ্কৰে ফিলীমনক উৎসাহিত কৰিছিল। কেৱল সেয়াই নহয়, সাধু পৌলে তেওঁৰ লগে লগে পৰিচৰ্যা কৰিবলৈ ওনীচিমাচক যেন অনুমতি দিয়ে, তাৰ বাবেও পৰামৰ্শ দিছিল (1:13-14)।

চমু বিৱৰণঃ সাধু পৌলে ফিলীমনক সম্ভাষণ জনোৱা (1:1-3)। তাৰ পিছত ফিলীমনে ওনীচিমাচক খ্ৰীষ্টীয়ান ভাইৰ দৰে গ্ৰহণ কৰিবলৈ সাধু পৌলৰ নিবেদন (1:4-21)। অৱশেষত, সাধু পৌলে তেওঁৰ কিছুমান পৰিকল্পনা বাখ্যা কৰি, শুভেচ্ছা পঠিয়াই সামৰণি মাৰিছে (1:22-15)

## Chapter 1

### ফিলীমনৰ দাস ওনীচিমক প্ৰেমেৰে গ্ৰহন কৰিবলৈ নিবেদন

**1**খ্ৰীষ্ট যীচুৰ বন্দীয়াৰ পৌল[1] আৰু আমাৰ ভাই তীমথিয়ৰ[2] পৰা আমাৰ প্ৰিয় ভাই আৰু সহকৰ্মী ফিলীমনৰ প্ৰতি, **2**আৰু আমাৰ ভনী
আপ্পিয়া, সহসেনা আৰ্খিপ্প আৰু তোমাৰ ঘৰত গোট খোৱা মণ্ডলীৰ প্ৰতি, **3**আমাৰ পিতৃ ঈশ্বৰ আৰু প্ৰভু যীচু খ্ৰীষ্টৰ পৰা অনুগ্ৰহ আৰু শান্তি
কামনা কৰিলোঁ।

**4**মোৰ প্ৰাৰ্থনাত মই তোমাৰ নাম উল্লেখ কৰি, সদায় মোৰ ঈশ্বৰৰ ধন্যবাদ দিওঁ, **5**কিয়নো প্ৰভু যীচুৰ প্ৰতি তোমাৰ বিশ্বাস আৰু ঈশ্বৰৰ সকলো
পবিত্ৰ লোকৰ প্ৰতি থকা তোমাৰ প্ৰেমৰ কথা শুনিবলৈ পালোঁ। **6**তোমাৰ বিশ্বাসৰ সহভাগিতা যেন আমাৰ লগত থকা সকলো উত্তম বিষয়ৰ
জ্ঞানত খ্ৰীষ্টত কাৰ্যসাধক হয়, এনে প্ৰাৰ্থনা কৰোঁ। **7**হে ভাই, তোমাৰ প্ৰেমত মই অতি আনন্দ আৰু সান্ত্বনা পালোঁ, কিয়নো তোমাৰ দ্বাৰা ঈশ্বৰৰ
পবিত্ৰ লোক সকলৰ হৃদয় পুনৰাই সজীৱ কৰা হ’ল।

**8**গতিকে যি উচিত সেইটো কৰিবৰ বাবে তোমাক আজ্ঞা দিবলৈ যীচু খ্ৰীষ্টত মোৰ সাহস আছে, **9**তথাপি মই তোমাক, প্ৰেমৰ কাৰণে ইয়াৰ
পৰিৱৰ্তে অনুৰোধ কৰোঁ। মই পৌল, বৃদ্ধ হৈছো আৰু এতিয়া খ্ৰীষ্ট যীচুৰ কাৰণে মই বন্দী।

**10**মোৰ বন্দী অৱস্থাত জন্ম[3] হোৱা বিশ্বাসৰ পুত্ৰ ওনীচিমৰ প্ৰসংগত মই তোমাক অনুৰোধ কৰোঁ; **11**তেওঁ আগেয়ে তোমাৰ অনুপকাৰী আছিল,
কিন্তু এতিয়া তোমাৰ আৰু মোৰ বাবেও উপকাৰী হ’ল। **12**যি জন মোৰ প্ৰাণৰ প্ৰিয়, তেওঁকেই মই তোমাৰ ওচৰলৈ উভতাই পঠালোঁ।
**13**শুভবাৰ্তাৰ কাৰণে হোৱা মোৰ বন্ধনত, তোমাৰ সলনি তেওঁ যেন মোৰ পৰিচৰ্যা কৰে, এই কাৰণে মই তেওঁক লগত ৰাখিব খুজিছিলোঁ।

**14**কিন্তু তোমাৰ অনুমতি অবিহনে মই একো কৰিবলৈ আৱশ্যক নেদেখিলোঁ, সেয়েহে তোমাৰ সৎ গুণ উপায়ন্তৰ হৈ কৰা নহওক, কিন্তু স্ব-
ইচ্ছাৰে হওক। **15**সম্ভৱত: তেওঁক চিৰকাল পাবৰ বাবে, তোমাৰ পৰা কিছু সময়ৰ কাৰণে পৃথক কৰা হৈছিল। **16**এজন দাসৰ দৰে নহয়, কিন্তু
দাসতকৈ শ্ৰেষ্ঠ, বিশেষকৈ মোৰ বাবে এজন প্ৰিয় ভাইৰ দৰে; মাংস[4] আৰু প্ৰভু উভয়তে তোমালৈও অধিক প্ৰিয়।

**17**যদি তুমি মোক সহভাগী[5] বুলি গণ্য কৰা তেনেহলে মোৰ তুল্য বুলি তেওঁক গ্ৰহণ কৰিবা। **18**আৰু তেওঁ যদি তোমাক কিবা অন্যায় কৰিলে বা
ধৰুৱা হৈছে, তেনেহলে তাক মোৰ বুলিয়েই গণনা কৰিবা। **19**মই পৌল, নিজ মনৰ সৈতে নিজ হাতে লিখিলোঁ, মই পৰিশোধ কৰিম। তোমাৰ
জীৱনৰ কাৰণে তুমি যে মোৰ ওচৰত ঋণী, কিন্তু সেই বিষয়ে মই কোৱা নাই। **20**হয় ভাই, প্ৰভুত মোক আনন্দিত হ’বলৈ দিয়া আৰু খ্ৰীষ্টত মোৰ
প্ৰাণ পুনৰ সতেজ কৰা।

**21**তোমাৰ আনুগত্যতাত আত্মবিশ্বাস[6] আছে, সেয়েহে মই তোমালৈ লিখিলোঁ[7] , তুমি মই কোৱাতকৈও অধিক কৰিবা বুলি জানিছোঁ। **22**কিন্তু
সেই একে সময়তে, মোলৈ এটা থকা ঠাই যুগুত কৰি ৰাখিবা[8] ; মই আশা কৰোঁ তোমালোকৰ প্ৰাৰ্থনাৰ দ্বাৰাই মই তোমালোকৰ ওচৰলৈ
আহিবলৈ অনুমতি পালোঁ[9] ।

23খ্ৰীষ্ট যীচুৰ সম্বন্ধে মোৰ লগৰ বন্দীয়াৰ ইপাফ্ৰাই[10] তোমাক মঙ্গলবাদ কৰিছে; 24আৰু মাৰ্ক, আৰিষ্টাৰ্খ, দীমা আৰু লূক, মোৰ এই সহকাৰী
সকলেও মঙ্গলবাদ কৰিছে।

25আমাৰ[11] প্ৰভু যীচু খ্ৰীষ্টৰ অনুগ্ৰহ তোমালোকৰ আত্মাৰ লগত থাকক। আমেন।

---

1:1 [1]
1:1 [2]
1:10 [3]
1:16 [4]
1:17 [5]
1:21 [6]
1:21 [7]
1:22 [8]
1:22 [9]
1:23 [10]
1:25 [11]

# অবদানকাৰী

## Assamese Unlocked Literal Bible অবদানকাৰী

Ajit Kumar Singha
Antoney Raj
Basanta Kumar Sarma
Cdr. Thomas Mathew
Dr. Bobby Chellappan
Hinal Prakash
Jobby Prasannan
Jumi Devi
Kanika Dhar
Kavita Bora
Merlyn Easa
Numali Tara
Rev. Tarun Singha
Rinu John
Sangeet Momin
Shojo John
Door43 World Missions Community

## Tischendorf Greek New Testament 8th edition অবদানকাৰী

eBible.org
Clint Yale
Dr. Maurice A. Robinson
Ulrik Sandborg-Petersen
Door43 World Missions Community